নিয়মীয়া বাৰ্তা

VOL-14 NO-18 FRIDAY 22 MARCH 2024 (ডিব্ৰুগড় সংস্কৰণ/D

## শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত এদিনীয়া কাৰ্যসূচী

# ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ কলেজৰ জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ বক্তৃতানুষ্ঠান

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২১ মাৰ্চ ঃ** ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ উদ্যোগত 'দৈনন্দিন জীৱনত জৈৱ-প্ৰযুক্তিবিদ্যাৰ গুৰুত্ব আৰু ইয়াৰ পৰিসৰ' বিষয়ত জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ তত্ত্বাৱধায়ক আৰাধনা পি ভূঞাৰ তত্ত্বাৱধানত কনিষ্ঠ গৱেষিকা মধুস্মিতা কোঁৱৰ আৰু নিকিতা দত্তই এদিনীয়া বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰে। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত কৰ্মশালাখনত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। বক্তৃতানুষ্ঠানত আমন্ত্ৰিত অতিথি উপস্থিত থাকে ক্ৰমে Resource Centre for North East Region, & Regional Director of the Institute of United Nations Studies -NER-ৰ কাৰ্যবাহী সঞ্চালক ড° অশ্বিনী শৰ্মা, শৈক্ষিক বিষয়া মৰমী গোস্বামী আৰু অনুষ্ঠান সমন্বয়ক পূৰবী দেৱী। অনুষ্ঠানত সমল ব্যক্তিৰূপে অতি মননশীলভাৱে জৈৱ-প্ৰযুক্তিৰ প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰী পল্লৱী বড়াই। কানৈ মহাবিদ্যালয়ৰ জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ কনিষ্ঠ গৱেষিকা মধুস্মিতা কোঁৱৰে উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতে ড° অশ্বিনী শৰ্মাই সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শৰ্মাই জৈৱ-প্ৰযুক্তিৰ গুৰুত্বৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি ৰাষ্ট্ৰসংঘই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গ্ৰহণ কৰা কাৰ্যসূচী সম্পৰ্কে অৱগত কৰে। অনুষ্ঠানত উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, অধ্যাপক অম্বৰীশ ভূঞা, চাকিল আহমেদৰ লগতে দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

